# সমাজভাষাবিজ্ঞান

ইংৰাজী Sociolinguistics শব্দৰ অসমীয়া পৰিভাষা হ'ল—সমাজভাষাবিজ্ঞান। ইংৰাজী শব্দটো গঠন কৰা হৈছে দুটা শব্দৰ সংযোজনেৰে—

Socio- + linguistics= Sociolinguistics

Socio- = Society (সমাজ)

linguistics = systematic study of various aspects of language. (ভাষাৰ বিভিন্ন দিশৰ পদ্ধতিগত অধ্যয়ন।)

প্ৰথমাৱস্থাত socio আৰু linguisticsৰ মাজত হাইফেন দি socio-linguistics শব্দটো লিখা হৈছিল যদিও পাছলৈ হাইফেনডাল আঁতৰাই এটা শব্দ হিচাপে sociolinguistics লিখাৰ পৰম্পৰা আৰম্ভ হ'ল। এই পুথিখনো সেয়ে এটা শব্দ হিচাপে সমাজভাষাবিজ্ঞান শব্দটো ব্যৱহাৰ কৰা হৈছে।

Sociolinguistics, language and society, the sociology of language আদি অভিধা প্ৰথমাৱস্থাত সমান্তৰালকৈ এই পাৰস্পৰিক সম্পৰ্কিত বিষয়টি বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। ই অধ্যয়নৰ এনে এক ক্ষেত্ৰ য'ত ভাষাবিজ্ঞান আৰু সমাজতত্ত্ব, লগতে অন্যান্য মানৱ বিজ্ঞান একত্ৰিত হৈ ভাষাৰ কথিত ৰূপ আৰু অন্য মানৱীয় আচৰণৰ অধ্যয়ন কৰে। অৱশ্যে, সমাজভাষাবিজ্ঞানৰ অধ্যয়নৰ পৰম্পৰা বৰ পুৰণি নহয়। তথাপি সমাজভাষাবিজ্ঞানে সামৰি লোৱা বিষয়ৰ বিস্তৃতিৰ বাবে এটা নিৰ্দিষ্ট সূত্ৰ নিৰ্ণয় কৰা কঠিন হৈ পৰিছে।

> 'The term 'sociolinguistics' means many things to many people, and of course no one has a patent on its definition.'



কোনো এক বিশেষ জনসমষ্টিৰ সামূহিক জীৱন যাপনৰ শ্ৰেষ্ঠ মাধ্যম হ'ল ভাষা। ভাষা আৰু সমাজ কোনোটোৱে এটাক বাদ দি আনটো জীয়াই থাকিব নোৱাৰে। এই ভাষাৰ লগত সমাজৰ অঙ্গাঙ্গী সম্পৰ্ক। সাধাৰণতে একে ভাষা কোৱা সমাজ একোখনত সেই ভাষা-সম্প্ৰদায়ৰ লোকসকলে অপৰিৱৰ্তনীয় আৰু সুসংবদ্ধ ৰূপত ভাষাটোৰ ব্যৱহাৰ কৰে বুলি ধাৰণা কৰা হয় যদিও প্ৰকৃততে ই সম্পূৰ্ণ শুদ্ধ নহয়। সামাজিক আৰু সাংস্কৃতিক কাৰকসমূহে ভাষা-সম্প্ৰদায় একোটাৰ ভাষা-ব্যৱহাৰত বিভিন্ন ধৰণে প্ৰভাৱ পেলায়। এগৰাকী ব্যক্তিয়ে নিজৰ কথা-বতৰাৰ যোগেদি তেওঁৰ অজানিতেই নিজৰ বিষয়ে ভালেখিনি তথ্য এৰি যায়। তেওঁ ব্যৱহাৰ কৰা শব্দ, বাক্য গঠন, প্ৰকাশভংগী, সুৰ আদিয়ে ব্যক্তিগৰাকীৰ ভাষিক পটভূমিৰ আভাস দিয়ে। মানুহ এজনে কথা কেনেদৰে ক'ব, সেয়া নিৰ্ভৰ কৰিব শ্ৰোতাৰ লগত বক্তাৰ সম্পৰ্ক, মানুহজনৰ সামাজিক স্থিতি, পৰিৱেশ ইত্যাদিৰ ওপৰত। বক্তাৰ শিক্ষা-দীক্ষা, বক্তাৰ বয়স, বক্তা পুৰুষ নে মহিলা, বক্তাৰ সামাজিক স্থিতি, বক্তাৰ আৰ্থিক অৱস্থা আদি বক্তাৰ ভাষা-ব্যৱহাৰৰ জৰিয়তে ধাৰণা কৰিব পৰা যায়। বক্তাৰ ওপৰত সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক কাৰকসমূহৰ প্ৰভাৱৰ ফলত ভাষা-ব্যৱহাৰৰ পৰিৱৰ্তন হয়।




সামাজিক সংগঠন (social organization)সমূহে ভাষাৰ গঠনত প্ৰভাৱ পেলায়। একোখন সমাজ বিভিন্ন সামাজিক গোটৰ দ্বাৰা গঠন হয়। ভাৰতীয় সমাজ ব্যৱস্থাত তথাকথিত উচ্চ-নিম্নৰ জাতিগত ব্যৱস্থাৰ বাবেই যিদৰে সামাজিক বিভেদৰ সৃষ্টি কৰে, তেনেদৰে বৰ্তমান বিশ্বায়ন বা পুঁজিবাদী অৰ্থনীতিয়ে আমাৰ দেশতো পশ্চিমীয়া সমাজত থকাৰ দৰে সামাজিক শ্ৰেণীৰ সৃষ্টি কৰিছে। পুৰুষ-



Scanned with CamSc

মহিলাৰ মাজত থকা সামাজিক মৰ্যাদাৰ বিভেদ, আনকি একেটা দলৰে মাজতো বয়সভিত্তিক শ্ৰেণীবিভাগো সমাজ একোখনত দেখা যায়। সাধাৰণভাৱে অথবা কেতিয়াবা সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলে দেখা যাব— প্ৰত্যেকটো শ্ৰেণীবিভাগৰে ভাষা-ব্যৱহাৰ সুকীয়া সুকীয়া। সমাজভাষাবিজ্ঞানী এজনে শ্ৰেণীভেদে ভাষা-ব্যৱহাৰৰ পাৰ্থক্যৰ কাৰণ বুজিব পাৰিব লাগিব। ভাষাৰ গঠনত সামাজিক সংগঠনসমূহে কেনেধৰণৰ প্ৰভাৱসমূহ উদ্‌ঘাটন কৰাৰ লগতে সেইবোৰৰ বৰ্ণনা আৰু বিশ্লেষণো আগবঢ়াব পাৰিব লাগিব। সমাজভাষাবিজ্ঞানীজনে বুজিব লাগিব, বক্তাই ভাষাটোৰ কোনটো গঠন কেতিয়া আৰু কি পৰিস্থিতিত ব্যৱহাৰ কৰে। সমাজৰ কোনটো নিয়মানুসৰি ভাষাৰ একেটা গঠন গ্ৰহণযোগ্য হয়, আৰু কোনটো গঠন গ্ৰহণযোগ্য নহয়। কথাটো উদাহৰণস্বৰূপে সৈতে ক'লে এনেকুৱা হ'ব— এজন অসমীয়া ভাষী ব্যক্তিয়ে আন এজন ব্যক্তিৰ লগত কথা পাতোঁতে তেওঁ 'তই'/'তুমি' বা 'আপুনি' কোনটো ব্যৱহাৰ কৰিব সেইটো ব্যক্তিজনৰ অন্যজন ব্যক্তিৰ লগত সম্পৰ্ক, বয়স (অৰ্থাৎ জ্যেষ্ঠ নে কনিষ্ঠ) আৰু মৰ্যাদাৰ উপৰত বিশেষভাৱে নিৰ্ভৰ কৰিব। ব্যক্তিজন যদি বয়োজ্যেষ্ঠ আৰু সম্ভ্ৰান্ত (মৰ্যাদাৰ উচ্চ পৰ্যা), তেন্তে 'আপুনি' ব্যৱহাৰ কৰিব। আকৌ, ঘনিষ্ঠ সম্পৰ্ক থাকিলে 'আপুনি'ৰ ঠাইত বক্তাই 'তুমি'ও ব্যৱহাৰ কৰিব পাৰে। মৰ্যাদাৰ নিম্ন পৰ্যা নিম্ন হ'লে 'তুমি' বা 'তই'ও ব্যৱহাৰ কৰিব পাৰে। অৰ্থাৎ, এই সমগ্ৰ প্ৰক্ৰিয়াটো বক্তাৰ লগত থকা সম্পৰ্ক, মৰ্যাদা আৰু পৰিস্থিতিৰ উপৰত নিৰ্ভৰ কৰিব। অৰ্থাৎ, সমাজভাষাবিজ্ঞানী এজনে এই সমস্ত প্ৰক্ৰিয়াৰ আঁৰত থকা পৰিবেশ আৰু সামাজিক অৱস্থা বুজিব পাৰিব লাগিব। সমাজভাষাবিজ্ঞানীৰ দায়িত্ব— সামাজিক সংগঠনসমূহে ভাষাৰ ওপৰত কি ধৰণে প্ৰভাৱ পেলায়, সেইটো বিশ্লেষণ কৰি দেখুওৱা। প্ৰয়োজনবোধে সমাজ-সংস্কৃতি কেন্দ্ৰিক প্ৰয়োজনীয় বিষয়বস্তুও এই আলোচনাৰ অন্তৰ্ভুক্ত হ'ব পাৰে। আকৌ, কোন কোন ক্ষেত্ৰত সামাজিক সংগঠনসমূহে ভাষাৰ ওপৰত কোনো ধৰণৰ প্ৰভাৱ নেপেলায়, সেইটো দেখুওৱাও নিৰ্ধাৰিত সমাজভাষাবিজ্ঞানীজনৰ দায়িত্ব।

### ■ সমাজভাষাবিজ্ঞান অধ্যয়নৰ আৰম্ভণি

ভাষাবিজ্ঞানৰ এটা শাখা হিচাপে সমাজভাষাবিজ্ঞান বিষয়টি আপেক্ষিকভাৱে



নতুন। ভাষাৰ সামাজিক দিশ, পাৰম্পৰিক প্ৰভাৱ আদিৰ আলোচনা ভাষাচৰ্চাৰ লগত যোগসূত্ৰীয়াভাৱে জড়িত হৈ থাকিলেও ঊনবিংশ শতিকাৰ শেষাৰ্ধৰ সময়ৰ পৰা। অৱশ্যে তেতিয়ালৈ বিষয়টি sociolinguistics হিচাপে পৰিচিত হোৱা নাছিল যদিও sociolinguistics শব্দটোৰ ব্যৱহাৰ ইতিমধ্যেই হৈছিল। ১৯৩৯ চনত টমাছ চি. হাডচন (Thomas C. Hudson)-এ *Man in India* নামৰ গ্ৰন্থত Socio-linguistics in India শীৰ্ষক নিবন্ধনামেৰে এটা প্ৰবন্ধ লিখিছিল। ভাষাবিজ্ঞান প্ৰসংগত প্ৰথমবাৰৰ শব্দটোৰ ব্যৱহাৰ কৰে ইউজিন নিডা (Eugene Nida)ই তেওঁৰ *Morphology* নামৰ গ্ৰন্থৰ দ্বিতীয় সংস্কৰণত। কিন্তু, ১৯৫২ চনত Haver C. Currie-এ 'A Projection of Socio-linguistics: The relation of speech to social status' নামৰ প্ৰবন্ধ এটাত sociolinguistics শব্দটো প্ৰথমবাৰৰ ব্যৱহাৰ কৰিছিল বুলি কোৱা হয়।

সমাজভাষাবিজ্ঞানৰ গুৰুত্ব আৰু জনপ্ৰিয়তা বৃদ্ধি পায় ঊনবিংশ শতিকাৰ ষাঠিৰ দশকৰ শেষৰ ফালেহে। অৱশ্যে, উপভাষা অধ্যয়ন আৰু সংস্কৃতিৰ লগত শব্দ আৰু অৰ্থৰ সম্পৰ্ক অধ্যয়নৰ পৰম্পৰা কিন্তু নতুন বিষয় নহয়। মাত্ৰ ভাষাৰ প্ৰকৃতি আৰু সমাজৰ প্ৰকৃতিৰ আধাৰত ভাষাৰ স্বৰূপ নিৰ্ণয়ৰ দৃষ্টিভংগীহে নতুন। এইখিনি সময়ত বিষয়টো বিশেষকৈ sociolinguistics আৰু sociology of Language নামেৰেহে পৰিচিত হৈ আছিল। কিন্তু, পাছত sociolinguistics আৰু sociology of Language দুয়োটা সুকীয়া বিষয় বুলি স্বীকৃত হ'ল।

১৯৬৬ চনত অহিঅ'-ত সমাজতাত্ত্বিকসকলৰ সমাজভাষাবিজ্ঞান বিষয়ত গুৰুত্বপূৰ্ণ অধিৱেশন এখন অনুষ্ঠিত হৈছিল। তিনিমাহৰ পাছতে লছ এঞ্জেলছত দ্বিতীয়খন অধিৱেশন অনুষ্ঠিত হয়। এই অধিৱেশনত অংশগ্ৰহণ কৰিছিল সেইসময়ৰ বিখ্যাত নৃতাত্ত্বিক আৰু সমাজতাত্ত্বিকে। চাৰ্লছ এ. ফাৰ্গুছন (Charles A. Ferguson), জছুৱা এ. ফিছমেন (Joshua A. Fishman), হেৰল্ড গাৰফিংকেল (Harold Garfinkel), আৰ্ভিং গফমেন (Erving Goffman), জন গাম্পাৰ্জ (John Gumperz), ডেল্ হাইমছ (Dell Hymes), উইলিয়াম লেবো (William Labov), হাৰ্ভি ছাকছ (Harvey Sacks), এডগাৰ প'ল'মে (Edgar Polome), লিঅনাৰ্ড ছেভিট্‌জ (Leonard Savitz) আৰু ইমানুৱেল চিগলফ (Emanual Schegloff) আছিল এই অনুষ্ঠানৰ নিমন্ত্ৰিত অতিথি আৰু



Scanned with CamSc

ইয়াতেই প্ৰথম সমাজভাষাবিজ্ঞান বিষয়টোৰ তাত্ত্বিক দিশৰ ওপৰত আলোকপাত কৰা হৈছিল। এই সন্মিলনত পঠিত প্ৰবন্ধসমূহৰ একত্ৰ সংকলন উইলিয়াম ব্ৰাইটৰ সম্পাদনাত *Sociolinguistics* নামেৰে প্ৰকাশ পাইছিল। গ্ৰন্থখনিৰ ভূমিকাত বিষয়টিৰ মাত্ৰা (dimention), সংজ্ঞা, সম্ভাৱনা আৰু সীমাবদ্ধতাৰ দিশত বিশদভাৱে আলোকপাত কৰা হৈছিল। উইলিয়াম ব্ৰাইটে সমাজভাষাবিজ্ঞান যে ভাষাৰ অধ্যয়নৰ এটা নতুন দিশ, সেই কথা উনুকিয়াইছিল। ইতিমধ্যেই সমাজৰ সম্বন্ধত ভাষাৰ আলোচনা কৰা বিষয়টি ভাষাৰ সমাজতত্ত্ব (sociology of Language) নামেৰেহে পৰিচিত হৈ আহিছিল বুলি পূৰ্বতে উল্লেখ কৰা হৈছে। সমাজভাষাবিজ্ঞানৰ এজন উল্লেখযোগ্য গৱেষক আমেৰিকা যুক্তৰাষ্ট্ৰৰ উইলিয়াম লেবোভে (William Labov) প্ৰথমে 'sociolinguistics' নামটো সম্বন্ধে আপত্তি দৰ্শাইছিল। তেওঁৰ মতে sociolinguistics নামটোৱেই অশুদ্ধ। কাৰণ, ভাষা মাত্ৰেই সামাজিক। সমাজৰ বাহিৰে ভাষা সম্ভৱ নহয়। সেয়ে বিকল্প হিচাপে প্ৰথমে তেওঁ 'the Sociology of language', 'the ethnography of speaking' ইত্যাদি নামহে পোষকতা কৰিছিল। কিন্তু, পাছত লেবোভে sociolinguistics নামটোকেই সঠিক বুলি বিবেচনা কৰি তেওঁৰ এখন গ্ৰন্থৰ নামো যেতিয়া *Sociolinguistic Patterns* দিলে, তেতিয়াৰ পৰাই sociolinguistics শব্দটো স্থায়ীভাৱে ব্যৱহৃত হ'বলৈ ধৰিলে। ভাষাবিজ্ঞানৰ অধ্যয়নৰ পৰিসীমা আৰু চিন্তা-চৰ্চাৰ গভীৰতাৰ লগে লগে সমাজভাষাবিজ্ঞান বিষয়টোৱেও অধিক গুৰুত্ব পাবলৈ আৰম্ভ কৰিলে।

## ■ সমাজভাষাবিজ্ঞানৰ সংজ্ঞা

বৰ্তমান সময়ত সমাজভাষাবিজ্ঞানৰ আলোচনাৰ পৰিসৰ যথেষ্ট ব্যাপক। ভাষাৰ ওপৰত সামাজিক সংগঠনসমূহৰ প্ৰভাৱ, ভাষা-বৈচিত্ৰ্য, ভাষানীতি, বহুভাষিক পৰিস্থিতি, ভাষিক গোষ্ঠী একোটাই তেওঁলোকৰ ভাষাটোৰ প্ৰতি পোষণ কৰা মনোভাৱ আৰু ভাষাটোৰ বৰ্তমান স্থিতি, সাংকেতিক ভাষা আদিৰ আলোচনা সমাজভাষাবিজ্ঞানৰ প্ৰধান বিষয়বস্তু। অৱশ্যে, সময়ৰ অগ্ৰগতিৰ লগে লগে ইয়াৰ অধ্যয়নৰ পৰিসীমা বাঢ়ি গৈ আছে। ন ন বিষয়ৰ অন্তৰ্ভুক্তিয়ে সমাজভাষাবিজ্ঞানৰ অধ্যয়নক অধিক আকৰ্ষণীয় আৰু মনোজ্ঞ কৰি তুলিছে।



সেয়ে সমাজভাষাবিজ্ঞানৰ বিষয়ে মাত্ৰ ক'ব পাৰি— সমাজভাষাবিজ্ঞান হ'ল আন্তঃসম্পৰ্কীয় অধ্যয়ন ভিত্তিত গঢ় লৈ উঠা এক বিজ্ঞানসম্মত শাখা য'ত ভাষাবিজ্ঞান, সমাজতত্ত্ব, সামাজিক মনোবিজ্ঞান আৰু সাংস্কৃতিক নৃতত্ত্বৰ পাৰস্পৰিক সম্পৰ্কৰ ভিত্তিত কোনো এক নিৰ্দিষ্ট সমাজৰ ভাষাৰ অধ্যয়ন। ইয়াৰ উপৰি সামাজিক পৰিস্থিতিয়ে সৃষ্টি কৰা ভাষাৰ সমস্যাসমূহ, ভাষাৰ সামাজিক কাৰ্য আৰু সামাজিক কাৰকসমূহে ভাষাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি ভাষাৰ কি কি পৰিৱৰ্তন সাধন কৰে, তাৰ আলোচনাকো সামৰি লয়।

নৃতাত্ত্বিক, সমাজবিজ্ঞানী, মনোবিজ্ঞানী আদিয়ে সমাজভাষাবিজ্ঞানৰ বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। কিন্তু, সমাজভাষাবিজ্ঞানৰ 'সম্মিলিত বিষয়ক' কোনো বিশেষ সংজ্ঞাৰ দ্বাৰা আবদ্ধ কৰা কঠিন। তথাপি বিভিন্ন আলোচকে আগবঢ়োৱা সংজ্ঞাৰ পৰা আমি সমাজভাষাবিজ্ঞানৰ আলোচনাৰ বিষয়বস্তু সাধাৰণভাৱে নিৰ্ধাৰণ কৰি ল'ব পাৰোঁ আৰু পৰিৱৰ্তিত পৰিবেশত সমাজভাষাবিজ্ঞানৰ বিষয়বস্তুৰ বৰ্ধিত পৰিসৰৰ কথাও জানিব পাৰোঁ। অৱশ্যে, সমাজভাষাবিজ্ঞানৰ বিষয়বস্তুৰ পৰিসৰ বৃদ্ধি পাইছে যদিও ইয়াৰ মূল কথা কিন্তু সমাজৰ লগত ভাষাৰ সম্বন্ধ আৰু সেয়ে সমাজভাষাবিজ্ঞানৰ সংজ্ঞা দিওঁতে আলোচকসকলে এই কথা মনত ৰাখিয়েই সংজ্ঞা আগবঢ়াইছিল। অৰ্থাৎ, সামাজিক পৃষ্ঠভূমি আৰু ভাষাৰ সম্পৰ্ক — এই সংজ্ঞাসমূহৰ মূল বিষয়।

হাডছনৰ মতে, সমাজভাষাবিজ্ঞান হ'ল— 'সমাজৰ সম্বন্ধত ভাষাৰ অধ্যয়ন।'

(...the study of language in relation to society.)

ডেভিড ক্ৰিষ্টেলে *Encyclopedia of Language*-ত সমাজভাষাবিজ্ঞানৰ সূত্ৰ দিছে এনেদৰে—

'সমাজত ব্যৱহৃত ভাষাৰ গঠন আৰু কাৰ্যকৰী ৰূপৰ অধ্যয়ন।'

'The study of the interaction between language and the structures and functioning of society.' (p.418)

Joshua A Fishman-এ *Language in Sociocultural Change* নামৰ গ্ৰন্থত সমাজভাষাবিজ্ঞানৰ (ফিচমেনৰ মতে, ভাষাৰ সমাজতত্ত্ব) সংজ্ঞা দিছে এনেদৰে—



Scanned with CamSc

'ভাষাৰ সমাজতত্ত্বই সামাজিক সংগঠনসমূহৰ ভাষা-ব্যৱহাৰৰ সমগ্ৰ দিশৰ ওপৰত আলোকপাত কৰে, কেৱল ইয়ানেই নহয় ভাষা ব্যৱহাৰকাৰীসকলৰ ভাষিক আচৰণ, ভাষা-ব্যৱহাৰীসকলৰ প্ৰত্যক্ষভাৱে ভাষাৰ প্ৰতি থকা মনোভাৱৰ প্ৰতিও গুৰুত্ব দিয়ে।'

'the sociology of language focuses upon the entire gamut of topics related to social organization of language behaviour, including not only language usage per se but also language attitude, overt behaviour toward language and toward languege users.' (*A Glossary of Sociolinguistics)*

পিটাৰ ট্ৰাডগিলৰ মতে সমাজভাষাবিজ্ঞান—

'ভাষা আৰু সমাজৰ সম্বন্ধৰ সকলো দিশ বৰ্ণনা কৰা এনে এক শব্দ, যি বিষয়ত বা ক্ষেত্ৰত দিশৰ পৰা সমাজ বৈজ্ঞানিক, যেনে— মানৱীয় সংস্কৃতিৰ পদ্ধতিগত অধ্যয়ন (ethnography)। সমাজভাষাবিজ্ঞান গৱেষণা বা অনুসন্ধানৰ এনে এক বিষয়, যি ভাষাৰ সামাজিক সংযোগ বা বিৰোধ (social contact)ৰ জৰিয়তে ভাষা আৰু সমাজৰ সম্বন্ধ আৰু আন্তঃক্ৰিয়া আৰু মানৱীয় ভাষাৰ আচৰণ বুজাত আমাক অধিক সহায় কৰে। নৃতাত্ত্বিক ভাষাবিজ্ঞান, উপভাষাবিজ্ঞান, সামাজিক-সাংস্কৃতিক পৰিৱেশানুযায়ী কথা (ethnography of speaking), বাক্য বিশ্লেষণ (discourse analysis), ভূভাষাবিজ্ঞান, ভাষিক সংযোগ, নিৰপেক্ষ ভাষাবিজ্ঞান (secular linguistics), ভাষাৰ সামাজিক মনস্তত্ত্ব আৰু ভাষাৰ সমাজতত্ত্ব সমাজভাষাবিজ্ঞানৰ অন্তৰ্গত আলোচনাৰ বিষয়।'

'A term used to describe all areas of the study of the relationship between language and society other than those which are purely social scientific in their objectives, such as ethnography. Sociolinguistics research is thus work which is intended to achieve a



better understanding of the nature of human language by studying language in its social contest and/ or to achieve a better understanding of the relationship and interaction between language and society. Sociolinguistics includes anthropological linguistics, dialectology, discourse analysis, ethnography of speaking, geolinguistics, language contact studies, secular linguistics, the social psychology of language and the sociology of language.'p -123

আনহাতে, ট্ৰাইটে সমাজভাষাবিজ্ঞানৰ বিষয়বস্তু সম্পৰ্কে মন্তব্য কৰিছিল এনেদৰে- '....ভাষাবৈচিত্ৰ্যই প্ৰধানকৈ সমাজভাষাবিজ্ঞানৰ আলোচ্য বিষয়বস্তু।'

'.......... linguistic diversity is precisely the subject-matter of socialinguistics.'

ট্ৰাইটে উল্লেখ কৰা এই ভাষাবৈচিত্ৰ্য বা diversity সামাজিক স্তৰবিন্যাসৰ (social stratification) লগত জড়িত। ভাষাৰ আঞ্চলিক ৰূপৰ কথা ইয়াত কোনো থোৱা নাই। ট্ৰাইটে উল্লেখ কৰা সামাজিক স্তৰবিন্যাসৰ জৰিয়তে যে ভাষা-ব্যৱহাৰৰ তাৰতম্য পৰিলক্ষিত হয় তাক উইলিয়াম লেবোভে প্ৰমাণ কৰি দেখুৱাইছে তেওঁৰ গৱেষণা গ্ৰন্থ *A Social Starartification of English in Newyork City*-ৰ জৰিয়তে।

ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহৰ পৰা সমাজভাষাবিজ্ঞানৰ বিষয় সম্বন্ধে আমি স্থূলমূল ধাৰণা কৰিব পাৰোঁ যে ভাষা আৰু সমাজ পৰস্পৰ নিৰ্ভৰশীল। সমাজ অনুযায়ী ভাষাত ভিন্ন ৰূপ প্ৰতিফলিত হয়। ভাষা বৈচিত্ৰ্য আৰু ভাষা-বৈচিত্ৰ্যৰ কাৰণ সমাজভাষাবিজ্ঞানৰ মূল আলোচ্য বিষয়।

## ■ সমাজভাষাবিজ্ঞানৰ বিষয়বস্তু

সমাজভাষাবিজ্ঞান সম্পৰ্কে ওপৰৰ সংজ্ঞাসমূহৰ পৰা সমাজভাষাবিজ্ঞান অধ্যয়নৰ বিষয়বস্তু সম্পৰ্কেও আমি জানিব পাৰোঁ—

১) সমাজভাষাবিজ্ঞানে সমাজৰ সম্বন্ধত ভাষাৰ আলোচনা কৰে;

২) সমাজভাষাবিজ্ঞানে ভাষাৰ বৈচিত্ৰ্য অধ্যয়ন কৰে আৰু ভাষা



Scanned with CamSc

বৈচিত্ৰ্যৰ কাৰণসমূহো জানিব বিচাৰে। অৰ্থাৎ, কি কি সামাজিক কাৰকৰ দ্বাৰা প্ৰভাৱিত হৈ ভাষাৰ পৰিৱৰ্তন ঘটে, সেয়াও সমাজভাষাবিজ্ঞানে ব্যাখ্যা কৰে।

সমাজভাষাবিজ্ঞান

ভাষিক ভিন্নতাৰ অধ্যয়ন | ভাষিক পৰিৱৰ্তনৰ কাৰণ | ভাষিক পৰিৱৰ্তনৰ ব্যাখ্যা

ভাষাৰ মাজেদি সমাজ একোখনৰ সামাজিক স্তৰবিন্যাস, বিবিধ সামাজিক সংগঠনসমূহৰ প্ৰতিফলন ঘটে। সমাজ এখনত কোনো এটা ভাষাৰ শব্দসম্ভাৰ আৰু তাৰ গাঁথনিক ৰূপৰ মাজেদি সমাজখনৰ প্ৰতিফলন ঘটে। ভাষা-ব্যৱহাৰৰ দ্বাৰা বুজিব পাৰি—

ক) সামাজিক সম্বন্ধ নিৰূপণত ভাষাৰ কাৰ্যকাৰিতা; আৰু (...the function of language in establishing social relationships)

খ) ভাষা-ব্যৱহাৰে বক্তাৰ বিষয়ে তথ্যও যোগান ধৰে; (...the role played by language in conveying information about the speaker)

বক্তা আৰু শ্ৰোতাৰ মাজৰ সম্পৰ্ক, বক্তা আৰু শ্ৰোতা সমমৰ্যাদাৰ নে অসমমৰ্যাদাৰ সেয়া ভাষা-ব্যৱহাৰৰ দ্বাৰা বুজিব পৰা যায়। ব্যক্তিৰ মৰ্যাদা অনুসৰি ভাষা-ব্যৱহাৰো বেলেগ বেলেগ হয়। অসমীয়া ভাষাৰ উদাহৰণেৰে কথাটো পৰিষ্কাৰ কৰিব পাৰি—

অসমীয়া ভাষাৰ ব্যক্তিবাচক সৰ্বনামৰ প্ৰয়োগলৈ মন কৰিলে দেখা যায় ব্যক্তিবাচক সৰ্বনামৰ দ্বিতীয় আৰু তৃতীয় পুৰুষৰ তিনিটাকৈ ৰূপ। এই ৰূপকেইটা হ'ল—

দ্বিতীয় পুৰুষ—

তুচ্ছ — তই

মান্য — তুমি

অধিক মান্য — আপুনি

(বিভক্তি গ্ৰহণৰ ফালৰপৰা আপুনি তৃতীয় পুৰুষৰ সৰ্বনাম, ব্যৱহাৰত কিন্তু দ্বিতীয় পুৰুষ)



তৃতীয় পুৰুষ—

তুচ্ছ — সি

মান্য — তেওঁ

অধিক মান্য — তেখেত

এই দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সৰ্বনামৰ প্ৰয়োগ ব্যক্তি অনুযায়ী বেলেগ বেলেগ হয় আৰু পুৰুষবাচক সৰ্বনামৰ পৰিৱৰ্তনৰ লগে লগে ক্ৰিয়াবিভক্তিৰো পৰিৱৰ্তন ঘটে।

দ্বিতীয় পুৰুষৰ তুচ্ছ ৰূপ 'তই'ৰ ব্যৱহাৰ বিশেষ গুৰুত্বপূৰ্ণ। কিয়নো, ইয়াক তুচ্ছ ৰূপ বুলি উল্লেখ কৰা হৈছে যদিও অতি আপোন লোকৰ ক্ষেত্ৰত 'তই'ৰ ব্যৱহাৰ কিন্তু তুচ্ছাৰ্থত নহয়। বৰং ই বক্তা আৰু শ্ৰোতাৰ গভীৰ সম্পৰ্কহে প্ৰকাশ কৰে।

অসমীয়া ভাষাৰ এই ব্যক্তিবাচক সৰ্বনামৰ ৰূপবোৰৰ পৰা আমি বক্তাৰ লগত শ্ৰোতাৰ সম্পৰ্কৰ বিষয়ে ধাৰণা কৰিব পাৰোঁ।

আকৌ, সম্বন্ধবাচক শব্দসমূহৰ অধ্যয়নৰ জৰিয়তে কোনো ভাষাৰ বিষয়ে বহুখিনি তথ্য আমি পাব পাৰোঁ। অসমীয়া সম্বন্ধবাচক শব্দসমূহে পৰিয়ালকেন্দ্ৰিক সমাজখনৰ প্ৰকাশ কৰাৰ লগতে লিংগবাদ (sexism)ৰ ধাৰণাও প্ৰকাশ কৰে। পিতৃ আৰু মাতৃ অনুযায়ী একেবোৰ সম্বন্ধকে সন্তানে পৃথক ৰূপ ব্যৱহাৰ কৰে। পুৰুষ আৰু স্ত্ৰী পৰস্পৰৰ পৰিয়ালৰ লগত হোৱা সম্বন্ধসমূহো ভিন্ ভিন্ নামেৰে পৰিচিত। এনে ভিন্ন সম্বন্ধসূচক শব্দই পুৰুষপ্ৰধান সমাজ-ব্যৱস্থাৰ স্বাক্ষৰ বহন কৰে।

তলত বৈবাহিকসূত্ৰে স্থাপন হোৱা অসমীয়া সম্বন্ধবাচক ৰূপবোৰৰ দ্বাৰা কেনেকৈ লিংগবাদ প্ৰকাশ পাইছে চোৱা যাওক—

পতি-পত্নীৰ পৰস্পৰৰ পৰিয়ালৰ লগত সম্বন্ধবোৰ এনেধৰণৰ—

| পিতৃৰ সম্বন্ধ | নিৰপেক্ষ ৰূপ | মাতৃৰ সম্বন্ধ |
|---|---|---|
| দেউতাকৰ দেউতাক | ককা | মাকৰ দেউতাক |
| দেউতাকৰ মাক | আইতা | মাকৰ মাক |
| দেউতাকৰ/মাকৰ বায়েক | জেঠাইদেউ /জেঠাই /জেঠী | |

আন কেইবোৰ সম্বন্ধও নিৰপেক্ষ। যেনে— শাহু/ শহুৰ; নাতি/ নাতিনী, আদি। বিপৰীতে অন্যান্য সম্বন্ধবোৰ, যেনে—



Scanned with CamSc

দেউতাকৰ ককায়েক— ৰৰদেউতা/বৰ্তা; কিন্তু, মাকৰ ককায়েক— **মামা**

দেউতাকৰ ভায়েক— **খুৰা**; মাকৰ ভায়েক— **মামা**

দেউতাকৰ ভনীয়েক— **পেহী**; মাকৰ ভনীয়েক— **মাহী**

তেনেকৈ স্বামী-স্ত্ৰীৰ সম্পৰ্ক বুজোৱা শব্দৰ সম্বন্ধবাচক ৰূপবোৰো উভয়ৰে বাবে সুকীয়া সুকীয়া—

| | | |
|---|---|---|
| | স্বামীৰ ভায়েক — | **দেওৰ** (পত্নীৰ সম্পৰ্ক), |
| কিন্তু, | পত্নীৰ ভায়েক — | **খুলশালী** (স্বামীৰ সম্পৰ্ক) |
| | স্বামীৰ ভনীয়েক — | **ননদ** (পত্নীৰ সম্পৰ্ক), |
| কিন্তু, | পত্নীৰ ভনীয়েক — | **খুলশালী** (স্বামীৰ সম্পৰ্ক) |

একেদৰে,

স্বামী/পত্নীৰ ককায়েক বা ভায়েকৰ ল'ৰা/ছোৱালী— **ভতিজা**

স্বামী/পত্নীৰ বায়েক বা ভনীয়েকৰ ল'ৰা/ছোৱালী — **ভাগিন**

অসমীয়া মুছলমান সমাজৰ কিছু সম্বন্ধবাচক শব্দ অসমীয়া হিন্দু সমাজতকৈ বেলেগ। যেনে—

| | | | |
|---|---|---|---|
| মাকৰ মাক — | **নানী** | বাপেকৰ মাক — | **দাদী** |
| মাকৰ দেউতাক — | **নানা** | বাপেকৰ বাপেক — | **দাদা** |

যেনে, সম্বন্ধবাচক শব্দৰ আলোচনাৰ দ্বাৰা কোনো ভাষিক সম্প্ৰদায়ৰ পৰিয়াল গঠনৰ চানেকি পোৱাৰ লগে লগে অন্যান্য কেতবোৰ তথ্যও আমি লাভ কৰিব পাৰোঁ।

সামাজিক সম্বন্ধ নিৰূপণত ভাষাৰ কাৰ্যকাৰিতাৰ ক্ষেত্ৰত অনেক এনে উদাহৰণ আমি আলোচনা কৰিব পাৰোঁ। যেনে— সমাজৰ প্ৰতিপত্তিশালী ব্যক্তি এজনৰ ভাষা আৰু এজন সাধাৰণ ব্যক্তিৰ ভাষা কেতিয়াও একে নহয়। প্ৰতিপত্তিশালী ব্যক্তিজনৰ ভাষাত প্ৰকাশ পাব নমনীয় মনোভাব, বিপৰীতে সাধাৰণ ব্যক্তিজনৰ ভাষা হ'ব— নমনীয়।

## ■ ভাষিক বিভিন্নতাৰ কাৰণ

দেখা যায়, সমাজ একোখনত ভাষাৰ বিভিন্নতাসমূহ গঢ়ি উঠে কেতবোৰ সামাজিক কাৰকৰ ওপৰত ভিত্তি কৰি। এনে সামাজিক কাৰকবোৰ হ'ল—






উইলিয়াম লেবো আছিল প্ৰথম ব্যক্তি, যিয়ে সামাজিক কাৰকে যে ভাষাৰ পৰিৱৰ্তন সাধন কৰে সেয়া স্পষ্টৰূপে দেখুৱাই দিছিল। লেবোৱে *A Social Stratification of English in Newyork city* গ্ৰন্থত সামাজিক শ্ৰেণী পাৰ্থক্যই যে ভাষিক ভিন্নতাৰ সৃষ্টি কৰে, সেয়া প্ৰমাণিত ৰূপত দাঙি ধৰে। লেবোৰ এই ধাৰাই সমাজভাষাবিজ্ঞানৰ অধ্যয়নক এটা নতুন গতি দিয়ে।

সমাজভাষাবিজ্ঞানৰ ভাষিক বৈচিত্ৰ্য অধ্যয়নৰ কাৰণতে দুটা পথ গঢ় লৈ উঠিছিল— পৰিমাণগত পদ্ধতি (quantitive approch) আৰু গুণাত্মক পদ্ধতি (qualitative approch)। ভাষাবিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত বৈচিত্ৰ্যবাদী (Varitionist) ভাষাবিজ্ঞানীসকলৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। ভাষাবিজ্ঞানৰ পৰিমাণগত পদ্ধতিৰ প্ৰভাৱশালী ৰূপ আমেৰিকাৰ বৈচিত্ৰ্যবাদী সমাজভাষাবিজ্ঞানীসকলে সমাজভাষাবিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰত প্ৰয়োগ কৰিছিল। বিশেষকৈ, নগৰীয়া সামাজিক জীৱনৰ আধাৰত উইলিয়াম লেবোৱে ভাষিক ভিন্নতাসমূহ পৰিমাণগত পদ্ধতিৰে নিৰ্ণয় কৰি উলিয়াইছিল আৰু ই আছিল— সমাজভাষাবিজ্ঞানৰ অন্যান্য পদ্ধতিতকৈ বেলেগ। লেবোৰ পদ্ধতিৰ বিষয়ে ফাৰ্ডিনে কৈছিল এনেদৰে— 'লেবোৰ সমাজভাষাবিজ্ঞান 'পাৰল'ৰ সূত্ৰ নহয়, আনকি বৰ্ণনাত্মক উদ্দেশ্যৰে কৰা ভাষা-ব্যৱহাৰৰ অধ্যয়নো নহয়, কিন্তু ভাষাৰ এনে এক অধ্যয়ন, যিয়ে ভাষাৰ গঠনাত্মক কাঠামো প্ৰকাশ কৰে। লেবোৰ মতে, ভাষা আৰু সামাজিক পৰিৱেশ দুটা সুকীয়া বিষয় আৰু সমাজভাষাবিজ্ঞানে ভাষিক সত্তা (ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব)-ৰ লৈতে সামাজিক সত্তা (শ্ৰেণী, লিংগ, বয়স)-ৰ মাজত সম্পৰ্কৰ সৃষ্টি কৰে।'

> 'Labovian sociolinguistics is not a theory of Parole, nor it is a study of language use for descriptive purposes, but a study of language use for what it reveals about linguistic structure. For Labov language and social context are two separate entities



Scanned with CamSc

and sociolinguistics correlates linguistic facts (phonology, morphology and syntax) with social facts (class, gender, age).'

ক্ষেত্ৰত অধ্যয়ন কৰিছিল— কেনেকৈ, কোনো এক বিশেষ সাংস্কৃতিক বিন্যাসত, ব্যৱহাৰিক ৰূপত ভাষাৰ পৰিৱৰ্তন হয়। বিভিন্নতাসমূহ ভাষিক দিশৰ ফালৰ পৰা গুৰুত্বপূৰ্ণ নহয়, অথচ সিবোৰৰ সামাজিক অৰ্থ আৰু সিবোৰে বহন কৰা সামাজিক শ্ৰেণী, বয়স বা লিংগক প্ৰতিনিধিত্ব কৰাটো অতিশয় গুৰুত্বপূৰ্ণ। সেইদৰে শিক্ষা, নিয়োগৰ সুবিধা আদিৰ ফলস্বৰূপে ভাষা-ব্যৱহাৰৰ পৰিৱৰ্তন ঘটা দিশসমূহৰ পৰা প্ৰত্যয়জনক কেতবোৰ উত্তৰো লাভ কৰা যায়। লেবোৰ অধ্যয়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তথা মৌলিক দিশটো আছিল— ভিন্ন পৰিবেশত বৃহৎ মাত্ৰাত সাক্ষাৎকাৰৰ জৰিয়তে তথ্য আহৰণ আৰু সিবোৰৰ পৰিমাণগত বিশ্লেষণ। পৰিমাণবাদীসকলে সেয়ে সমাজভাষাবিজ্ঞানক এনেকৈ সংজ্ঞা দিব বিচাৰে— 'সুবিন্যস্ত বিভিন্নতা থকা বিষয়।' ('An object possessing orderly heterogeneity.'-Weinreich, 1968: 100)

উপৰিউক্ত আলোচনাৰ উপৰি সমাজভাষাবিজ্ঞানৰ আন কেতবোৰ গুৰুত্বপূৰ্ণ আলোচনাৰ বিষয় হ'ল—

৩) ভাষা-আচৰণ (language attitude)

৪) ভাষা-সংযোগ (language contact)

৫) ভাষা আৰু লিংগভেদ (language and gender)

৬) ভাষা আৰু ধৰ্ম (language and religion )

৭) বহুভাষিক বা দ্বিভাষিক পৰিস্থিতি (Multilingual or bilingual situation)

৮) ভাষা-নীতি (language policy), ইত্যাদি।

**■ সমাজভাষাবিজ্ঞানৰ ভাগ**

Fishman-এ সমাজভাষাবিজ্ঞানক তিনিধৰণে ভাগ কৰি আলোচনা কৰিছিল। এই ভাগকেইটা হ'ল—



ক) **বৰ্ণনাত্মক সমাজভাষাবিজ্ঞান** (descriptive sociology of language),

খ) **গতিশীল সমাজভাষাবিজ্ঞান** (dynamic sociology of language), আৰু

গ) **প্ৰায়োগিক সমাজভাষাবিজ্ঞান** (applied sociology of language)।

বৰ্ণনাত্মক সমাজভাষাবিজ্ঞানৰ মূল আলোচ্য বিষয় হ'ল— ভাষাৰ কথিত ৰূপটোৰ ভাষাগত ভিন্নতা। ভাষাৰ ভিন্নতাৰ কথা আলোচনা কৰোঁতে গুৰুত্ব দিব লাগিব— বক্তা, শ্ৰোতা, ভাষা-ব্যৱহাৰৰ উপলক্ষ আৰু উদ্দেশ্য।

> 'Who speaks (or writes) what language (or what variety) to whom and when and to what?' [J.A.Fishman- 'Language and Social Context', p-46, *The Sociology of Language*, edited by- Pier Paolo)

বৰ্ণনাত্মক সমাজভাষাবিজ্ঞানত প্ৰথম গুৰুত্ব লাভ কৰে বক্তাই। হাইমছে *The Ethnography of Speaking* নামৰ গ্ৰন্থত কৈছে যে ভাষা একেটাৰ অভিব্যক্তি তিনিটা কথাৰ ওপৰত নিৰ্ভৰ কৰে। সেয়া হ'ল— বক্তা, শ্ৰোতা, আৰু উপলক্ষ। এই তিনিটা অভিব্যক্তিৰ জৰিয়তে জানিব পাৰি— ব্যক্তিজন সমাজৰ কোন স্তৰৰ মানুহ? বক্তাৰ শিক্ষা-দীক্ষা, বক্তাই কি কাম কৰে? বক্তা পুৰুষ, নে নাৰী? বক্তাৰ বয়স, বক্তাৰ সামাজিক সম্পৰ্ক ইত্যাদি।

ভাষাৰ জৰিয়তে সমাজ একোখনৰ স্তৰবিন্যাসৰ ভেদ দেখুৱাব পাৰি। এই ভেদ ৰেখাচিত্ৰ এডালৰ জৰিয়তে দেখুওৱা হ'ল—

উচ্চ শ্ৰেণী

মধ্যবিত্ত শ্ৰেণী

নিম্ন শ্ৰেণী



Scanned with CamSc

সমাজ একোখনৰ স্তৰবিন্যাসক উলম্ব এডাল ৰেখাৰে ভাগ কৰিলে দেখা যাব একেবাৰে উচ্চ স্তৰত থাকিব উচ্চ বা সম্ভ্ৰান্ত শ্ৰেণীৰ লোকসকল, একেবাৰে তলত থাকিব নিৰক্ষৰ, অৰ্থনৈতিক দিশত দুৰ্বল শ্ৰেণীৰ লোকসকল, উচ্চ আৰু নিম্ন শ্ৰেণীৰ মাজত থাকিব মধ্যবিত্ত শ্ৰেণী। মধ্যবিত্ত শ্ৰেণীটো আকৌ কেইবাটাও স্তৰ পৰিলক্ষিত হ'ব পাৰে। আৰ্থিক, সামাজিক আৰু শিক্ষাগত দিশত ভিত্তি কৰি এই বিভিন্নতাসমূহ পৰিলক্ষিত হয়। সেইদৰে, বক্তা এজনৰে উপলক্ষ্য অনুযায়ী ভাষাৰীতি বেলেগ বেলেগ হ'ব পাৰে। বক্তাৰ সামাজিক পৰিচয়ো এই ভাষাৰীতিৰ দ্বাৰা নিৰ্ণয় কৰিব পৰা যায়।

বক্তাৰ পাছতে শ্ৰোতাৰ সামাজিক পৰিচয়ৰ কথা আহি পৰিব। ভাষাটো কাক কোৱা হৈছে, তাৰ ওপৰতে বক্তাৰ ভাষাৰ ধৰণ নিৰ্ভৰ কৰিব। শ্ৰোতা অনুযায়ী ভাষাৰ ৰীতি সলনি হ'ব। সমনীয়া বা বন্ধুৰ লগত আড্ডাত আমি যেনেধৰণে কথা পাতোঁ, শিক্ষকৰ লগত আমি তেনেধৰণে কথা নাপাতোঁ। ঘৰত মা-দেউতাৰ লগত যেনেধৰণে কথা পাতোঁ, বজাৰলৈ গ'লে আমি তেনেধৰণে কথা নাপাতোঁ। অৰ্থাৎ, শ্ৰোতা অনুযায়ী বক্তাৰ কথোপকথন ৰীতি ভিন্ন হয়। ইয়াৰ পৰা এই কথা স্পষ্ট হয় যে ভাষাটো কোনে কৈছে, সেইটো যিধৰণে গুৰুত্বপূৰ্ণ কথা, কাক কৈছে সেইটোও তেনেধৰণে গুৰুত্বপূৰ্ণ।

বক্তা আৰু শ্ৰোতাৰ পাছত তৃতীয় গুৰুত্বপূৰ্ণ দিশটো হ'ল— উপলক্ষ্য। সভা-সমিতিত ভাষণ দিওঁতে, বজাৰ কৰোঁতে, শ্ৰেণীত পাঠদান কৰোঁতে, কাজিয়া কৰোঁতে সকলোতে বাক্‌ৰীতি বেলেগ বেলেগ হয়। উপলক্ষ্য অনুযায়ী পৰিবৰ্তন হোৱা ভাষাক ৰেজিষ্টাৰ বোলা হয়। ভাষা একেটা প্ৰসংগতে (context) ব ব্যৱহাৰ বিধিৰ (use, usage) দ্বাৰা নিয়ন্ত্ৰিত হয়।

উপলক্ষ্য অনুযায়ী ভাষাৰ সঙ্কৰণো হয়। সাধাৰণতে, দ্বিভাষিকতাৰ পটভূমিত এনে প্ৰক্ৰিয়া সংঘটিত হয়।

সমাজভাষাবিজ্ঞানক আন দুটা বহল ভাগত ভাগ কৰিও আলোচনা কৰিব পাৰি (Suzanne Romaine– *Language in Society*)। এই ভাগ দুটা হ'ল— সমষ্টিবাদী সমাজভাষাবিজ্ঞান (Macro Sociolinguistics) আৰু ব্যষ্টিবাদী সমাজভাষাবিজ্ঞান (Micro Sociolinguistics)।

সমষ্টিবাদী সমাজভাষাবিজ্ঞানে সমাজক ভেটি হিচাপে গ্ৰহণ কৰি ভাষাৰ লগত সম্বন্ধ নিৰূপণ কৰে (Macro Sociolinguistics takes socially



its starting point and deals with language as a pivotal factor in the organisation of communities.)। ইয়াৰ উপৰি বহুভাষিকতা বা ভাষা সম্প্ৰদায় একেটাৰ তেওঁলোকৰ ভাষাটোৰ প্ৰতি দৃষ্টিভঙ্গী কেনেকুৱা তাৰ আলোচনাকো সামৰি লয়।

আনহাতে, ব্যষ্টিবাদী সমাজভাষাবিজ্ঞানে গুৰুত্বপূৰ্ণ সামাজিক প্ৰাবল্যসমূহৰ দ্বাৰা ভাষাৰ গাঁথনিক ৰূপ কিদৰে প্ৰভাৱিত হয়, তাৰ আলোচনা কৰে (Micro Sociolinguistics regins with language and treats social forces as essential features influencing the structure of language.)। স্থানীয় পৰ্যায়ত ভাষাৰ গঠন অৰ্থাৎ কোনো সম্প্ৰদায়ৰ বাক্‌ৰীতি বা কথোপকথন বা উচ্চাৰণ প্ৰক্ৰিয়া আদিৰ ভিত্তিত তেওঁলোক কোন ঠাইত বসতি কৰে বা কোনটো সামাজিক শ্ৰেণীৰ অন্তৰ্ভুক্ত আদি বিষয়ৰ আলোচনা কৰে।

সমাজভাষাবিজ্ঞানক আন দুটা দিশেৰে ভাগ কৰিও আলোচনা কৰিব পাৰি। এই ভাগ দুটা হ'ল— গতিশীল সমাজভাষাবিজ্ঞান (Dynamic Sociolinguistics) আৰু প্ৰায়োগিক সমাজভাষাবিজ্ঞান (Applied Sociolinguistics)।

সমাজত ভাষাৰ উদ্ভৱ, বিবৰ্তন, বিস্তাৰ আৰু সংকোচনৰ ধাৰাক সামৰি কৰা আলোচনাই হ'ল গতিশীল সমাজভাষাবিজ্ঞান। আনহাতে, প্ৰায়োগিক সমাজভাষাবিজ্ঞানত ভাষাৰ প্ৰায়োগিক দিশৰ আলোচনা কৰা হয়। বিশেষকৈ ভাষাৰ লগত জড়িত বাস্তৱ পৃথিৱীখনৰ সমস্যাসমূহ, যেনে— ভাষিক সংঘৰ্ষ, ভাষা কৰ্ষণ, ভাষা পৰিকল্পনা, ভাষা পুনৰুজ্জীৱিতকৰণ, কথোপকথনৰ দীনতা আদি।

Scanned with CamSc